**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-01-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিচালনা কৰা ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাকেন্দ্ৰ তত্বাৱধায়ক আৰু সহকাৰী তত্বাৱধায়কৰ অৰিয়েণ্টেছন কাৰ্যসূচী আজি খানাপাৰাৰ জ্যোতি -বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লিখিত পৰীক্ষা হ'ব ১০ ৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ লিখিত পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত  হ'ব। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭ হাজাৰ ৩৫৫ খন বিদ্যালয়ৰ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৩ হাজাৰ ১০৩ খন শিক্ষানুষ্ঠানৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সংশ্লিষ্ট সকলোকে আহ্বান জনায়। তেওঁ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে শিক্ষানুষ্ঠানসমূহৰ অধ্যক্ষ, প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলক অভিনন্দন জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোৰৰ, অসম ৰাজ্যিক বিদালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাষ্ট্ৰপতি ভৱন চৌহদত কালি সন্ধিয়া মুকলি কৰা গ্ৰন্থ কুটীৰত অসমৰ কেইবাখনো সাচিপতীয়া পুথিয়ে স্থান লাভ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন সত্ৰানুষ্ঠান তথা বিজ্ঞ ব্যক্তিৰ পৰা সংগৃহীত ৫ খন প্ৰাচীন সাচিপতীয়া পুথিকে ধৰি মুঠ ৮ খন এনে পুথিয়ে কুটীৰত স্থান লাভ কৰিছে। উল্লেখযোগ্য যে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মুকলি কৰা গ্ৰন্থ কুটীৰত অসমীয়াকে ধৰি দেশৰ মুঠ ১১ টা ধ্ৰুপদী ভাষাৰ প্ৰাচীন পুথি, পাণ্ডুলিপি আৰু অন্যান্য সাহিত্য সম্ভাৰক সংৰক্ষণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে ৰাষ্ট্ৰপতি গৰাকীক অসমৰ সাঁচিপতীয়া পুথিৰ ঐতিহ্যৰ সন্দৰ্ভত অৱগত কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শমৰ্মে সাচিপতীয়া পুথি সংগ্ৰহৰ ক্ষেত্ৰত কলাক্ষেত্ৰ সমাজে বিশেষ পদক্ষেপ লৈছে। এই অনুসৰি ৰাজ্যৰ ভিন ভিন স্থানৰ পৰা সংগ্ৰহ কৰা কীৰ্তন ঘোষা, নাম ঘোষা, ভক্তি ৰত্নাৱলী, দশম, গীত গোবিন্দকে ধৰি সাঁচিপতীয়া পুথিসমূহ ৰাষ্ট্ৰপতি ভৱনক অৰ্পন কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনত থকা এই গ্ৰন্থ কুটীৰ প্ৰকল্পৰ দায়িত্ব অসমৰ পংকজ প্ৰতীম বৰদলৈয়ে লাভ কৰিছে। এই সন্দৰ্ভত শ্ৰীবৰদলৈয়ে এইদৰে  কয়।

বাইট

০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী আজি নিশা ৮ বাজি ২ মিনিটত ‘মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ’ শীৰ্ষক ‘দৃষ্টিপাত’ অনুষ্ঠান প্ৰচাৰ কৰে। আলোচনাত অংশগ্ৰহণ কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা লেখক ড০ সূৰ্য দাসে গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰতিগৰাকী ব্যক্তিৰ বাবে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ অধিকাৰ নিশ্চিত হ’ব লাগে বুলি উল্লেখ কৰে। তেওঁ লগতে গণতন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত মহিলা সৱলীকৰণৰ ভূমিকা উল্লেখ কৰে। অনুষ্ঠানত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ  প্ৰাক্তন অধ্যাপিকা মীনাক্ষী কাকতিয়ে গণতন্ত্ৰ জনসাধাৰণৰ বাবে আশীৰ্বাদ বুলি উল্লেখ কৰি কয় যে ভাৰতীয় গণতন্ত্ৰত সাধাৰণ স্তৰৰ ব্যক্তি ক্ষমতাত অধিস্থিত হোৱাটোৱে গণতান্ত্ৰিক ব্যৱস্থা এতিয়াও খৰ্ব নোহোৱাটোকে প্ৰতিপন্ন কৰে বুলি প্ৰকাশ কৰে। অনুষ্ঠানত শিক্ষাৰ্থী তথা আকাশবাণীৰ স্বীকৃত অভিনেতা অৰুণাভ হাজৰিকাই গণতন্ত্ৰৰ প্ৰতিগৰাকী নাগৰিকৰ প্ৰতিটো কাম আৰু চিন্তা গণতান্ত্ৰিক প্ৰমূল্যৰে প্ৰেৰিত হোৱা উচিত বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে গণতান্ত্ৰিক ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰত ত্যাগ স্বীকাৰ কৰা অগ্ৰজসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। জিণ্টী ৰাণী ডেকাই আঁত ধৰা অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

বিশ্বনাথ জিলাৰ চতিয়া আৰক্ষী জিম্মাৰ পৰা পলায়ন কৰা দুজন মাদক দ্ৰব্যৰ সৰবৰাহকাৰীক আজি বিশ্বনাথ আৰক্ষীয়ে শ্বিলঙৰ পৰা গ্ৰেপ্তাৰ কৰে। চতিয়া আৰক্ষীয়ে যোৱা ১৯ জানুৱাৰীত ইটাখোলাৰ পৰা এই লোক দুজনক গ্ৰেপ্তাৰ কৰিছিল যদিও ২০ জানুৱাৰীত তেওঁলোকে আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰিছিল। আজি আৰক্ষীয়ে অভিযান চলাই শ্বিলঙৰ পৰা লোক দুজনক গ্ৰেপ্তাৰ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ